Dream Dare Win



www.jeywin.com

Sl. No. 26

D–DTN–K–BTA

# ASSAMESE

## Paper—I

## ( Literature )

| Time Allowed : Three Hours | Maximum Marks : 300 |
|---|---|

## INSTRUCTIONS

**Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese.**

## Section—A

**1.** যি কোনো তিনিটা প্ৰশ্ন বাছি লৈ প্ৰতিটোৰ উত্তৰ *200* (দুশ) শব্দৰ ভিতৰত লিখাঁ : 20×3=60

*(a)* প্ৰচীন ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজা ? ইয়াৰ স্তৰকেইটা কি কি আৰু সেই স্তৰবোৰৰ মাজেদি আহি অসমীয়া ভাষাৰ কেনেকৈ উদ্ভৱ হ'ল, লিখাঁ ।

*(b)* অসমীয়া গদ্যৰ বিকাশত বুৰঞ্জীৰ গদ্যৰ ভূমিকা সম্পৰ্কে আলোচনা কৰি এটি টোকা লিখাঁ ।

*(c)* অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি, বৰ্ণবিজ্ঞানৰ আধাৰত প্ৰতিষ্ঠা কৰাঁ । লগতে উচ্চাৰণ অনুসৰি ইবোৰক তালিকাভুক্ত কৰি দেখুওৱাঁ ।



www.jeywin.com Dream Dare Win

(d) ব্ৰাহ্মী লিপিৰ পৰা কুটিল লিপিৰ মাজেদি বিকশিত হৈ কেনেকৈ অসমীয়া লিপিয়ে ছপা ৰূপত আত্মপ্ৰকাশ কৰিলে, সেই সম্পৰ্কে বহলাই আলোচনা কৰা।

2. অসমীয়া ভাষাৰ ঠাই নামবাচক আৰু নদী নামবাচক শব্দ কিছুমানৰ উৎপত্তি বা উৎস দেখুৱাই এটি নিবন্ধ যুগুত কৰা। 60

3. স্বাৰ্থিক প্ৰত্যয় বুলিলে কি বুজা? অসমীয়া ভাষাত তেনে স্বাৰ্থিক প্ৰত্যয় কোনবোৰ, লিখা আৰু সেইবোৰৰ প্ৰয়োগ-বৈশিষ্ট্য দেখুওৱা। 60

4. অসমীয়া মান্য ভাষা আৰু কামৰূপী উপভাষাৰ মাজত থকা ধ্বনিগত, ৰূপগত আৰু শব্দগত পাৰ্থক্যবোৰ উদাহৰণসহ দেখুৱাই এটি আলোচনা যুগুত কৰা। 60

## Section—B

5. যি কোনো তিনিটা প্ৰশ্ন বাছি লৈ প্ৰতিটোৰ উত্তৰ *200* (দুশ) শব্দৰ ভিতৰত লিখা : 20×3=60

(a) ৰহস্যবাদ বুলিলে কি বুজা? অসমীয়া সাহিত্যত ৰহস্যবাদ—এই শীৰ্ষক এক আলোচনা আগবঢ়োৱা।

(b) চৰ্যাপদসমূহে অসমীয়া সাহিত্যৰ কোনটো স্তৰ নিৰ্দেশ কৰে? চৰ্যাৰ ভাষাত থকা অসমীয়া ভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্য কেতবোৰ দেখুৱাই ইয়াৰ ভাষাক সন্ধ্যাভাষা বোলাৰ কাৰণ ব্যাখ্যা কৰা।

(c) অংকীয়া নাটৰ ৰচনাৰীতি সম্পৰ্কে আলোচনা কৰি এটি টোকা লিখা।

(d) জোনাকী যুগৰ সাহিত্যৰ প্ৰধান বৈশিষ্ট্য কি কি? চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত এই বৈশিষ্ট্যবোৰ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

6. অসমীয়া উপন্যাস-সাহিত্যৰ ইতিহাস বিৱৰি পৰ্যালোচনামূলক এটি টোকা লিখাঁ। 60

7. ৰামধেনু যুগৰ চুটিগল্পৰ বিষয়ে বহলাই আলোচনা কৰাঁ। 60

8. অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান—এই শীৰ্ষক এটি আলোচনা আগবঢ়োৱাঁ। 60

★ ★ ★



www.jeywin.com Dream Dare Win